**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-SEP-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইভিএমৰ দ্বিতীয় পৰ্যায়ৰ ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া কালি সম্পন্ন হয়। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত দুয়োখন নিৰ্বাচনী জিলাৰ বাবে এই প্ৰক্ৰিয়া নগাঁও জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত নিৰ্বাচনী সাধাৰণ পৰ্যবেক্ষক আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখযোগ্য যে ইভিএমসমূহত ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ সংযোজন কৰা হৈছে আৰু নগাঁও আৰু মৰিগাঁও দুয়োখন জিলাতে ভোটগ্ৰহণ কেন্দ্ৰভিত্তিক ইভিএমসমূহৰ পৃথকীকৰণৰ কাম চলি আছে। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। ৰাজনৈতিক দলসমূহে সমষ্টিটোৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাই ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ কালি মন্ত্ৰী তথা তাৰকা প্ৰচাৰকে নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী পীযুষ হাজৰিকাই ৰহা বিধানসভা সমষ্টিৰ ঘাঁহি মুকলি মঞ্চত আয়োজিত প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ দৰে ভৱিষ্যতেও ৰাইজৰ কল্যাণৰ বাবে সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ সংকল্পবদ্ধ বুলি উল্লেখ কৰি কংগ্ৰেছৰ দীঘলীয়া শাসনকালৰ সমালোচনা কৰে। বৰ্তমান সময়ত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ জৰিয়তে জনসাধাৰণ উপকৃত হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীহাজৰিকাই ৰহাৰ কাকমাৰী মুকলি মঞ্চত আন এখন নিৰ্বাচনী সভাতো অংশ লয়।

সাংসদ তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঘূলিত কালি এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ হৈ প্ৰচাৰ চলায়। এই নিৰ্বাচনী প্ৰচাৰ সভাত বিধায়ক প্ৰদ্যুৎ বৰদলৈ, দিপ্লুৰঞ্জন শৰ্মাৰ লগতে ৰাজ্যিক বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশ লয়।

কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাৰ সমৰ্থনতো বিভিন্ন স্থানত প্ৰচাৰ চলোৱা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি জাগীৰোড আৰু মায়ং ব্লক কংগ্ৰেছ কমিটীৰ উদ্যোগত কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাৰ হৈ প্ৰচাৰ চলায়। এই নিৰ্বাচনী প্ৰচাৰ সভাত সাংসদ ৰকিবুল হুছেইন, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলো উপস্থিত আছিল।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব  শৰ্মাই কালি ঝাৰখণ্ডৰ দেওঘৰত বাবা বৈদ্যনাথ মেডিকেল ন্যাস হাস্পতালৰ শুভ উদ্বোধন কৰে। ৭৫০ খন বিছনাযুক্ত এই অত্যাধুনিক হাস্পতালে অঞ্চলটোৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। বাবা বৈদ্যনাথলৈ শ্ৰদ্ধা নিবেদন কৰি আৰম্ভ কৰা ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বাবা বৈদ্যনাথ মেডিকেল ন্যাস আৰু পি ডি হিন্দুজা হাস্পতাল এণ্ড মেডিকেল ৰিছাৰ্চ চেণ্টাৰৰ যৌথ উদ্যোগত হাস্পতালখন আৰম্ভ কৰা হৈছে। ইয়াত পৰৱৰ্তী সময়ত মেডিকেল কলেজো নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে হাস্পতালখনে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকক চিকিৎসা সেৱা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ২০০৬ চনৰ পৰা প্ৰায় ১৫

বছৰ কাল অসমৰ স্বাস্থ্য মন্ত্ৰীৰ দায়িত্ব পালন কৰাৰ অভিজ্ঞতা সুঁৱৰি ড০ শৰ্মাই কয় যে এখন হাস্পতালৰ সফলতাৰ আঁৰত হাস্পতালখনৰ স্থাপত্যৰো গুৰুত্বপূৰ্ণ ভূমিকা থাকে। উদ্বোধন কৰা হাস্পতালখনৰ আই চি ইউ, জৰুৰীকালীন ইউনিট, সাধাৰণ ৱাৰ্ডৰ পৰা আৰম্ভ কৰি সকলো সুবিধাত সন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয় যে ২০১৪ চনৰ পাছত দেশত চিকিৎসা শিক্ষাই যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি পুৱাৰ ভাগতে বিশেষ কাৰ্যসূচীৰে ঝাৰখণ্ডৰ দেওঘৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাক সাংসদ ড০ নিশিকান্ত ডুবেৰ লগতে এটা বৃহৎ প্ৰতিনিধি দলে উষ্ম আদৰণি জনায়। এই ভ্ৰমণকালত ঝাৰখণ্ড চৰকাৰ আৰু বিভাগৰ বিভাগীয় প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীগৰাকী আলোচনাত মিলিত হয়।

০০০০০০

সমগ্ৰ শিক্ষা অসমে ২০২৭ বৰ্ষৰ গুণোৎসৱৰ সূচীত সাল-সলনি ঘটাইছে। সেই অনুসৰি ১৯ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈ মুঠ ৩ টা পৰ্যায়ত ৰাজ্যৰ ৩৫ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। সংশোধিত সূচী অনুসৰি ১৯ ৰ পৰা ২২ জানুৱাৰীলৈ প্ৰথম পৰ্যায়ত ১১ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। এই জিলাসমূহৰ ভিতৰত - বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, পশ্চিম কাৰ্বি আংলং, হোজাই, কামৰূপ, তামুলপুৰ, ওদালগুৰি, হাইলাকান্দি, ধুবুৰী আৰু বাক্সা আছে। ২৫ ৰ পৰা ৩০ জানুৱাৰীলৈ ১৩ খন জিলা ক্ৰমে - গোলাঘাট, যোৰহাট, বৰপেটা, বজালী, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, শ্ৰীভূমি, দক্ষিণ শালমাৰা মানকাচৰ, কামৰূপ মহানগৰ আৰু শ্ৰীভূমিত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। একেদৰে ২ ৰ পৰা ৫ ফেব্ৰুৱাৰীলৈ ১১ খন জিলা - বঙাইগাঁও, কাছাৰ, চিৰাং, দৰং, ডিমাহাচাও, ধেমাজি, গোৱালপাৰা, মৰিগাঁও, মাজুলী, নলবাৰী আৰু শোণিতপুৰত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব।

০০০০০০

লখিমপুৰৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘিলামৰা উন্নয়ন খণ্ডৰ মৰনৈ গাওঁ পঞ্চায়তত কালি স্বচ্ছ ভাৰত মিছন, গ্ৰামীণৰ দ্বিতীয় পৰ্যায়ৰ সৈতে সংগতি ৰাখি বিশেষ জাবৰ সংগ্ৰহ আৰু জন সজাগতামূলক কাৰ্যসূচী আয়োজন কৰা হয়। এই অভিযানৰ অধীনত পঞ্চায়তখনৰ বিভিন্ন ৱাৰ্ডৰ পৰা প্লাষ্টিক আৰু অন্যান্য অজৈৱিক জাবৰ-জোথৰ সংগ্ৰহ কৰা হয়। অনুষ্ঠানত সমাজকৰ্মী, ডায়নামিক ডেভেলপমেণ্ট ছ'চাইটিৰ পৰিচালন সঞ্চালক ধৰ্মকান্ত গগৈ, সম্পাদক প্ৰান্ত কুমাৰ দাস আৰু প্ৰকল্প মুৰববী কেশৱ কুমাৰ নাথ উপস্থিত থাকে। তদুপৰি মৰনৈ গাওঁ পঞ্চায়তৰ সভানেত্ৰী ৰেখামণি চুতীয়া, পঞ্চায়তৰ সমূহ সদস্য-সদস্যা আৰু স্থানীয় লোকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰমদান কৰে। উদ্যোক্তাসকলে প্লাষ্টিকজাত সামগ্ৰী আৰু আন জাবৰ-জোথৰ য'তে ত'তে নেপেলাবলৈ সকলোকে আহ্বান জনায়।

০০০০০০

**সমাপ্ত**